ক্বিয়ামতৰ দিনা মৃত্যুক ধূসৰ বা ধোঁৱা বৰণীয়া এটা ভেড়াৰ আকৃতিত অনা হ'ব।

আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ক্বিয়ামতৰ দিনা মৃত্যুক ধূসৰ বা ধোঁৱা বৰণীয়া এটা ভেড়াৰ আকৃতিত অনা হ'ব। তেতিয়া এজন সম্বোধনকাৰীয়ে মাতি ক'বঃ হে জান্নাতৰ অধিবাসীসকল! এই আহ্বান শুনি তেওঁলোকে মূৰ তুলি মনোযোগ সহকাৰে চাব। তেতিয়া আহ্বানকাৰীয়ে ক'বঃ তোমালোকে ইয়াক চিনি পোৱানে? তেওঁলোকে ক'বঃ হয়, এওঁৱেইতো মৃত্যু। তেওঁলোক সকলোৱে ইয়াক দেখা পাইছিল। ইয়াৰ পিছত সেই আহ্বানকাৰীয়ে মাতি ক'বঃ হে জাহান্নামৰ অধিবাসীসকল! তেতিয়া জাহান্নামৰ অধিবাসীসকলে মূৰ দাঙি সেইফালে মনোনিৱেশ কৰিব। তেতিয়া তেওঁ ক'বঃ তোমালোকে ইয়াক চিনি পোৱানে? সিহঁতে ক'বঃ হয়, এওঁ হৈছে মৃত্যু। সিহঁত সকলোৱে ইয়াক দেখি আহিছে। ইয়াৰ পিছত (সকলোৰে সন্মুখত) তাক জবেহ কৰা হ'ব। ইয়াৰ পিছত তেওঁ ক'বঃ হে জান্নাতৰ অধিবাসীসকল! (আজিৰ পৰা) তোমালোক চিৰস্থায়ী, তোমালোকৰ কোনো মৃত্যু নাই, আৰু হে জাহান্নামৰ অধিবাসীসকল! তোমালোকেও চিৰকাল ইয়াতেই থাকিব লাগিব, ইয়াত কোনো মৃত্যু নাই। (এইখিনি কথা কোৱাৰ পিছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে) পাঠ কৰিলেঃ অৰ্থ- (হে ৰাছুল!) তুমি সিহঁতক পৰিতাপৰ দিন সম্পৰ্কে সতৰ্ক কৰি দিয়া, যিদিনা সকলো সিদ্ধান্ত চূড়ান্ত হৈ যাব। অথচ (এতিয়া) সিহঁতে উদাসীনতাত বিভোৰ হৈ আছে। (ছুৰা মাৰয়ামঃ ৩৯) অৰ্থাৎ পৃথিৱীবাসী এতিয়া অমনোযোগী হৈ আছে, সিহঁতে ঈমান পোষণ নকৰে। (ছুৰা মাৰয়ামঃ ৩৯) [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, কিয়ামতৰ দিনা মৃত্যুক এটা ক'লা বগা মিশ্ৰিত ভেড়াৰ ৰূপত অনা হ'ব। তেতিয়া ঘোষণা কৰা হ'ব, হে জান্নাতীসকল! এই ঘোষণা শুনাৰ পিছত তেওঁলোকে ঘাৰ দাঙি মূৰ তুলি সেইপিনে চাব। তেওঁলোকক কোৱা হ'বঃ ইয়াক তোমালোকে চিনি পোৱানে? তেওঁলোকে ক'বঃ হয়, ই হৈছে মৃত্যু। তেওঁলোক সকলোৱে ইয়াক দেখি আহিছে আৰু ভালকৈয়ে চিনি পায়। ইয়াৰ পিছত এজন ঘোষণাকাৰীয়ে ঘোষণা কৰিবঃ হে জাহান্নামৰ অধিবাসীসকল! এই ঘোষণা শুনি সিহঁতে ঘাৰ দাঙি মূৰ তুলি চাব, আৰু তেওঁলোকে ঘোষণাকাৰীৰ প্ৰতি মনোযোগ দিব। ঘোষণাকাৰীয়ে ক'বঃ তোমালোকে ইয়াক চিনি পোৱানে? সিহঁতে ক'বঃ হয় চিনি পাওঁ, ই হৈছে মৃত্যু। সিহঁতেও ইয়াক দেখি আহিছে। ইয়াৰ পিছত তাক জবেহ কৰা হ'ব, আৰু ঘোষণাকাৰীয়ে ঘোষণা কৰি ক'বঃ হে জান্নাতৰ অধিবাসীসকল! চিৰকাল ইয়াত থাকিব লাগিব, ইয়াত কোনো মৃত্যু নাই। আৰু হে জাহান্নামৰ অধিবাসীসকল! তোমালোকেও তাত চিৰকাল থাকিব লাগিব, তাত কোনো মৃত্যু নাই। ইয়াৰ উদ্দেশ্য হৈছে যাতে মুমিনসকলৰ নিয়ামত বৃদ্ধি পায়, আৰু কাফিৰসকলে শাস্তি ভোগ কৰে। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই আয়াত তিলাৱত কৰিছিলঃ আৰু সিহঁতক পৰিতাপৰ দিন সম্পৰ্কে সতৰ্ক কৰি দিয়া, যেতিয়া সকলো সিদ্ধান্ত হৈ যাব। অথচ সিহঁত উদাসীনতাত বিভোৰ হৈ আছে আৰু সিহঁত ঈমান পোষণ নকৰে। এতেকে ক্বিয়ামতৰ দিনাই জান্নাতী আৰু জাহান্নামীসকলৰ মাজত ফয়চালা কৰি পৃথক কৰি দিয়া হ'ব। ইয়াৰ পিছত প্ৰত্যেকেই নিজৰ নিজৰ ঠিকনাত চিৰস্থায়ী হিচাপে থাকিব। এতেকে ভুল জীৱন-যাপন কৰা ব্যক্তিয়ে সেইদিনা আফচোচ কৰিব আৰু অনুতপ্ত হ'ব। কল্যাণৰ পথ গ্ৰহণ নকৰা পাপী ব্যক্তিয়ে হতাশাত ভূগিব।

